# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 24-11-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*
- - - - - - - - - - - - - -

গুৱাহাটীত অহা বছৰৰ ২৪ আৰু ২৫ ফেব্ৰুৱাৰীত এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণ অনুষ্ঠিত হব। দিছপুৰত আজি অনুষ্ঠিত সংবাদমেলত মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰি লগতে কয় যে দুদিনীয়া বিনিয়োগ সন্মিলনখন প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উদ্বোধন কৰিব। বিনিয়োগ আৰু আন্তঃগাঁথনিত গুৰুত্ব আৰোপ কৰি হবলগীয়া এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত পথ পৰিবহণ, কৃষি, ঔদ্যোগিক, ৰেলৱে, হাইড্ৰকাৰ্বন উদ্যোগ, অসামৰিক বিমান সেৱা, নৱীকৃত আন্তগাঁথনি সন্দৰ্ভত আলোচনা অনুষ্ঠিত হব। ৰাজ্যখনত বিনিয়োগকাৰীক আকৰ্ষিত কৰিবৰ বাবে ৰাজ্য চৰকাৰে এই পদক্ষেপ লোৱা বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে সংবাদমেলত প্ৰকাশ কৰে। তেওঁ লগতে কয় যে এডভাণ্টেজ আছাম কাৰ্যসূচীৰ প্ৰথম দিনা মেগা ঝুমুৰ নৃত্য প্ৰদৰ্শন কৰা হব। সৰুসজাই ষ্টেডিয়ামত হবলগীয়া এই ঝুমুৰ নৃত্যত ৮০০ খন বাগিছাৰ ৭ হাজাৰ ৫০০ গৰাকী নৃত্যশিল্পীয়ে অংশগ্ৰহণ কৰিব।

**ঃবাইট-মুখ্যমন্ত্ৰীঃ**

সংবাদমেলত মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে কয় যে বিনিয়োগকাৰীক আকৰ্ষিত কৰিবলৈ ৰাজ্য চৰকাৰৰ তিনিটা প্ৰতিনিধি দলে পাঁচখন দেশ ভ্ৰমণ কৰিব। তেওঁ কয় যে প্ৰথমটো প্ৰতিনিধি দলে ছিংগাপুৰ আৰু জাপান, দ্বিতীয়টো দলে আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু তৃতীয়টো দলে ইংলেণ্ড ভ্ৰমণ কৰিব। তিনিটা দলৰ যিকোনো এটা দলে ডুবাই ভ্ৰমণ কৰিব বুলিও তেওঁ প্ৰকাশ কৰে। আন এটা প্ৰতিনিধি দলে ভূটান ভ্ৰমণ কৰিব বুলি লগতে তেওঁ জানিবলৈ দিয়ে।

০০০০০০

বীৰ লাচিত বৰফুকনৰ ৪০২ বছৰীয়া জয়ন্তী উপলক্ষে আজি বীৰগৰাকীৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নতুন দিল্লীত থকা চৰকাৰী বাসভৱনত আজি এই দিৱস উপলক্ষে অনুষ্ঠানৰ আয়োজন কৰা হয়। শ্ৰী সোণোৱালে এই কাৰ্যসূচীত অংশ লৈ কয় যে দেশৰ ইতিহাসৰ এগৰাকী প্ৰবাদ প্ৰতীম মহাবীৰ  লাচিত বৰফুকনৰ শৌৰ্য বীৰ্য, অদম্য শক্তি, সাহস আৰু বীৰত্বৰ কাহিনীয়ে দেশবাসীক অনুপ্ৰেৰণা যোগাই আহিছে।  শক্তিশালী, সমৃদ্ধিশালী, আত্মনিৰ্ভৰ আৰু বিকশিত ভাৰত গঢ়াৰ দিশত লাচিত বৰফুকনৰ স্বদেশ-স্বজাতিৰ প্ৰতি থকা অতুলনীয় দায়বদ্ধতা জনসাধাৰণৰ বাবে আদৰ্শ হৈ ৰব বুলি তেওঁ মন্তব্য কৰে। অনুষ্ঠানত প্ৰধানমন্ত্ৰীৰ অৰ্থনৈতিক উপদেষ্টা পৰিষদৰ সদস্য সঞ্জীৱ সান্যালৰ উপৰি কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰালয়ৰ শীৰ্ষ বিষয়া সকল উপস্থিত থাকে।

০০০০০০

অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে পাৰ্থত অনুষ্ঠিত শৃংখলাৰ প্ৰথম টেষ্টত ভাৰতৰ জয়ৰ সম্ভাৱনা সজীৱ হৈ উঠিছে। খেলখনত আজি তৃতীয় দিনা অষ্ট্ৰেলিয়াই দ্বিতীয় ইনিংছত জয়ৰ বাবে ৫৩৪ ৰাণৰ লক্ষ্যৰে খেলি দিনান্তত

তিনিটা উইকেটৰ বিনিময়ত ১২ ৰাণ স ংগ্ৰহ কৰিছে। সম্পূৰ্ণ দুটা দিনৰ খেল বাকী থকা অৱস্থাত ঘৰুৱা দলটোক জয়ৰ বাবে এতিয়াও ৫২২ ৰাণৰ প্ৰয়োজন। ভাৰতৰ হৈ যশপ্ৰীত বুমৰাই দুটা আৰু মহম্মদ চিৰাজে আনটো উইকেট দখল কৰে। উল্লেখযোগ্য যে ভাৰতে আজি ৬ উইকেটত ৪৮৭ ৰাণ কৰি দ্বিতীয় ইনিংছ ঘোষণা কৰে। ভাৰতৰ ইনিংছত অপেনাৰ যশস্বী জয়ছৱাল আৰু বিৰাট কোহলীয়ে অনবদ্য শতক অৰ্জন কৰে। জয়ছৱাল ১৬১ ৰাণত আউট হ'লেও কোহলী ১০০ ৰাণত অপৰাজিত হৈ ৰয়। অষ্ট্ৰেলিয়াৰ মাটিত জয়ছৱালে খেলুৱৈ জীৱনৰ প্ৰথমটো টেষ্ট শতক অৰ্জন কৰিবলৈ সমৰ্থ হয়। আগদিনাৰ অপৰাজিত বেটাৰ কে এল ৰাহুলে ৭৭, নিতীশ কুমাৰ ৰেড্ডীয়ে ৩৮ আৰু ৱাশ্বিংটন সুন্দৰে ২৯ ৰাণৰ বৰঙণি আগবঢ়ায়।

০০০০০০

নগাঁও ক্ৰীড়া সন্থাৰ উদ্যোগত নুৰুল আমিন ষ্টেডিয়ামত আজিৰে পৰা স্বাধীনতা দিৱস কাপ ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। প্ৰতিযোগিতাৰ উদ্বোধনী খেলখনত অম্লান গোষ্ঠী দলে হালোৱাটিং ইউনাইটেড ফুটবল ক্লাবক ২-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে। নগাঁৱৰ বিধায়ক তথা নগাঁও ক্ৰীড়া সন্থাৰ সভাপতি ৰূপক শৰ্মাই প্ৰতিযোগিতাখন উদ্বোধন কৰে। উদ্বোধনী অনুষ্ঠানত ভাৰতীয় ফুটবল দলৰ প্ৰাক্তন গ'লৰক্ষক ভাস্কৰ গাংগুলী, প্ৰাক্তন ফুটবলাৰ ছাবিবৰ আলী উপস্থিত থাকে। অহা ৮ ডিচেম্বৰত সামৰণি পৰিবলগীয়া এইবাৰৰ প্ৰতিযোগিতাখনত মুঠ ১৬টা দলে অংশগ্ৰহণ কৰিছে।

০০০০০০

সমাপ্ত